No. of Printed Pages—4

124N (LPS)

[20-HKPGDEN–M4S(N)21J]

MA 4th Semester (New) Exam., 2020

ASSAMESE

[PGAS–S4–01]

(লিপি আৰু পাঠ সমীক্ষা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* অতি চমু উত্তৰ লিখক : 1×8=8

(i) স্মৃতি সংৰক্ষণৰ বাবে অতি প্ৰাচীন কালৰ পৰা মানুহে কি কৰি আহিছে?

(ii) কি কাৰণে যাযাবৰী আদিম মানবে জীৱ-জন্তুৰ চিত্ৰ আঁকিবলৈ লৈছিল?

(iii) অশোকৰ অনুশাসনসমূহত কেইপ্ৰকাৰৰ লিপি পোৱা যায়?

(iv) চীনা বিশ্বকোষখনৰ নাম কি?

(v) ভাষাতত্ত্ববিদ উপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া লিপিৰ মূল কি বুলি কৈছে?

(vi) অসমীয়া লিপিৰ প্ৰাচীন ৰূপ ক'ত সংৰক্ষিত হৈ আছে?

(vii) উমাচল শিলালিপিৰ আৱিষ্কাৰক কোন?

(viii) কেতিয়া মহম্মদ-ই-বখ্‌তিয়াৰৰ নেতৃত্বত অহা তুৰস্ক বাহিনীয়ে কামৰূপ ৰাজ্য আক্ৰমণ কৰিছিল?

(b) শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) প্ৰাচীন পুথিসমূহৰ অধ্যয়ন পদ্ধতিক কি বোলা হয়?

1. পাঠ সংশ্লেষণ
2. পাঠ বিশ্লেষণ
3. পাঠ ব্যাখ্যা
4. পাঠ সমীক্ষা

(ii) বিজ্ঞান হিচাপে পাঠ সমীক্ষা পদ্ধতিক কি পর্যায়ৰ মাজেদি নিৰীক্ষণ কৰা নহয়?

1. ব্যাখ্যা
2. নিৰীক্ষণ
3. অনুশীলন
4. সাব্যস্তকৰণ

(iii) এফ. ডব্লিউ. হলে তেওঁৰ কোনখন গ্ৰন্থত পাঠ প্ৰমাদৰ কাৰণসমূহ উল্লেখ কৰিছে?

1. *Companion to Latin Studies*
2. *Companion to Classical Texts*
3. *Aristophanis Comoediae*
4. *Valley of the Kings*

(iv) পাঠ-সমীক্ষা পদ্ধতিৰ শেষৰ প্ৰক্ৰিয়াটো কি?

1. পাঠ-পুনর্মূল্যায়ন
2. অধি সমীক্ষা
3. পাঠ-আৱিষ্কাৰ
4. পাঠ সংশোধন

(c) খালী ঠাই পূৰ কৰক : 1×4=4

(i) অসমৰ প্ৰাচীন পুথিসমূহ বা চিত্ৰকলাসমূহ _____ নামৰ এবিধ গছৰ বাকলিত লিখা বা অঁকা হৈছিল।

(ii) শিলৰ ফলিৰ বাবে শিলাকুটিয়ে _____ আখৰ লিখিছিল।

(iii) অসমত পুথি নকল কৰা আৰু পুথি _____ কৰাটো এটা পৰম ধৰ্ম বুলি প্ৰাচীন কালৰ পৰাই চলি আহিছিল।

(iv) ৰিচার্ড পিশ্চেল _____ বিশ্ববিদ্যালয়ৰ অধ্যাপক আছিল।

(Continued)

2. চমুকৈ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো *৫০* শব্দৰ ভিতৰত) : 2×5=10

(a) কেনে পৰিস্থিতিত লিপিৰ উদ্ভৱ হৈছিল?

(b) ভাৰতলৈ অহা আৰ্যসকলৰ লেখন কলাৰ সম্পৰ্কে দুআষাৰ লিখক।

(c) কুষাণকালীন ব্ৰাহ্মী লিপিৰ শৈলীকেইটাৰ চমু পৰিচয় দিয়ক।

(d) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশৰ লগত জড়িত তথ্যসমূহ ক'ৰ পৰা লাভ কৰিব পৰা যায়?

(e) প্ৰাচ্যতত্ত্ববিদ মুকুন্দ মাধৱ শৰ্মাই নগাজৰী খনিকৰ গাঁওৰ প্ৰস্তৰ খণ্ডলিপিৰ বিষয়ে কি কৈ গৈছে?

(f) কানাই বৰশী বোৱা তুৰস্কক্ষয়ৰ শিলালিপিৰ ঐতিহাসিক গুৰুত্ব কি?

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *১৫০* শব্দৰ ভিতৰত) : 3×4=12

(a) লিপি কি? নিজৰ ভাষাত চমুকৈ লিখক।

(b) ভাব লিপিৰ বিষয়ে এটি টোকা লিখক।

(c) অশোককালীন ব্ৰাহ্মী লিপিৰ বিষয়ে চমুকৈ লিখক।

(d) পুৰণি অসমীয়া লিপি বা কামৰূপী লিপিৰ বৈশিষ্ট্যসমূহ চমুকৈ উল্লেখ কৰক।

(e) 'ইন্দ্ৰপালৰ গুৱাহাটী শাসন'ৰ বিশেষত্ব কি?

4. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *২৫০* শব্দৰ ভিতৰত) : 6×3=18

(a) পাঠ সমীক্ষাৰ প্ৰয়োজনীয়তা কি? নিজৰ ভাষাত ব্যাখ্যা কৰক।

(b) আপোনাৰ দৃষ্টিত পাঠ সমীক্ষা পদ্ধতিৰ অন্তৰ্গত কোনটো প্ৰক্ৰিয়া অসমীয়া প্ৰাচীন পুথিসমূহৰ পাঠ সমীক্ষাৰ ক্ষেত্ৰত অধিক ফলপ্ৰসূ? যুক্তিসহ আপোনাৰ অভিমত প্ৰকাশ কৰক।

(c) আপোনাৰ পাঠৰ অন্তৰ্গত 'লিখন সামগ্ৰী আৰু লিপিকাৰ' উপশাখাৰ মাজেদি অতীত অসমৰ লোকসকলৰ ব্যৱহাৰিক জীৱনৰ কোনবোৰ দিশ প্ৰকাশ পাইছে?

(d) ভাৰতত পাঠ সমীক্ষাৰ ক্ৰমবিকাশত ব্যক্তিবিশেষৰ প্ৰচেষ্টাই গুৰুত্ব লাভ কৰিছিল নে সেই প্ৰচেষ্টা সম্পূৰ্ণভাৱে আনুষ্ঠানিক/প্ৰতিস্থানিক প্ৰচেষ্টা আছিল?

5. তলৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) কামৰূপী লিপি, গড়গঞা লিপি, কাইথেলী লিপি আৰু বামুণীয়া লিপিৰ চমু পৰিচয় একোটা দি চাৰিওবিধ লিপিৰ মাজত থকা সাদৃশ্য-বৈসাদৃশ্যসমূহ নিৰ্ণয় কৰক।

(b) উমাচল শিলালিপি, বৰগংগা শিলালিপি, হৰ্জৰ বৰ্মাৰ তেজপুৰ শিলালিপি আৰু গছতল স্তম্ভলিপিৰ মাজেদি ৰাজনীতি আৰু সমাজজীৱনৰ কোনবোৰ ব্যৱহাৰিক দিশ প্ৰকট হৈছে তাক নিজৰ ভাষাত আলোচনা কৰক।

(c) পুৰণি পুথিৰ সাধাৰণ বৈশিষ্ট্যসমূহ কি কি? আলোচনা কৰক।

(d) অসমত পাঠ সমীক্ষা—এই সম্পৰ্কে এখন নাতিদীৰ্ঘ ৰচনা প্ৰস্তুত কৰক।

★ ★ ★